**2 0 2 1**

( Held in 2022 )

# ASSAMESE

Paper : ASM–RE–5016

**( Sankardeva )**

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) শংকৰদেৱে জীৱনৰ শেষ বয়সত ৰচনা কৰা নাটখনৰ নাম কি?

(খ) শংকৰদেৱ আৰু মাধৱদেৱৰ মণিকাঞ্চন-সংযোগ (প্ৰথম মিলন) কোন স্থানত হৈছিল?

(গ) বৰগীতক কোনে 'Holy Songs' আখ্যা দিছে?

(ঘ) 'কীৰ্ত্তন'ৰ ভাবাদৰ্শৰ সৈতে মিল থকা 'সহস্ৰ নাম বৃত্তান্ত' খণ্ডটিৰ ৰচক কোন?

(ঙ) শংকৰদেৱে সংস্কৃত ভাষাত ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

(চ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটি কি ৰাগত ৰচিত?

(ছ) 'গজেন্দ্ৰ উপাখ্যান'ত বৰ্ণিত বনখনৰ নাম কি?

(জ) 'কীৰ্ত্তন' পুথিৰ কোনটো খণ্ডত বকাসুৰ বধৰ কাহিনী বৰ্ণিত হৈছে?

(ঝ) শংকৰদেৱৰ প্ৰণীত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগৰ আধাৰগ্ৰন্থ কি?

(ঞ) 'পাৰিজাত হৰণ' নাটত কাক বধ কৰিবলৈ ইন্দ্ৰই স্বৰ্গৰ পৰা আহি শ্ৰীকৃষ্ণক অনুৰোধ জনাইছে?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) অংকীয়া নাটৰ সৃষ্টিত প্ৰভাৱ পৰা অসমৰ দুটা লোক-নাট্যধৰ্মী অনুষ্ঠানৰ নাম লিখা।

(খ) 'শাৰঙ্গ পাণি ...' বৰগীতটিত ব্যৱহৃত 'শাৰঙ্গ' আৰু 'পাণি' শব্দ দুটাই কি অৰ্থ প্ৰকাশ কৰিছে, লিখা।

(গ) "ৰাজাক সাদৰি মুনি বুলিলা বচন।"

কোন মুনিয়ে, কোন ৰজাৰ আগত 'গজেন্দ্ৰ উপাখ্যান' ব্যক্ত কৰিছে?

(ঘ) ৰজা হৰিশ্চন্দ্ৰৰ পত্নী আৰু পুত্ৰৰ নাম কি?

(ঙ) 'পাৰিজাত হৰণ' নাটত শ্ৰীকৃষ্ণৰ কোন দুগৰাকী পত্নীৰ উল্লেখ আছে?





৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) শংকৰদেৱৰ বিৰচিত 'পাৰিজাত হৰণ' নাটৰ পটভূমি বিশ্লেষণ কৰা।

(খ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটিৰ বিষয়বস্তুৰ তাৎপৰ্য বিচাৰ কৰা।

(গ) " 'কীৰ্ত্তন' মহাপুৰুষৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন ..." কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) শংকৰদেৱৰ বিৰচিত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত বৰ্ণিত বিশ্বামিত্ৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটত হাস্যৰস কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা।

৪। (ক) শংকৰদেৱৰ চমু পৰিচয় দাঙি ধৰি তেখেতৰ সাহিত্যকৃতিৰ শ্ৰেণীবিভাগসহ পৰিচয়মূলক টোকা যুগুত কৰা। ৪+৬=১০

*অথবা*

(খ) শংকৰদেৱৰ নাটৰ বিশেষত্বসমূহ উল্লেখ কৰি মাধৱদেৱৰ নাটৰ সৈতে এক তুলনামূলক আলোচনা প্ৰস্তুত কৰা। ৪+৬=১০

৫। (ক) 'বৰগীত' নামৰ তাৎপৰ্য ব্যাখ্যা কৰা আৰু এক বিশিষ্ট সংগীতধাৰা হিচাপে বৰগীতৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা। ৪+৬=১০

*অথবা*

(খ) ‘কীৰ্ত্তন’ পুথিৰ ‘গজেন্দ্ৰ উপাখ্যান’ আৰু ‘শিশুলীলা’ত ভক্তিতত্ত্বৰ প্ৰকাশ কেনেদৰে ঘটিছে, বিশ্লেষণ কৰা। ৫+৫=১০

৬। (ক) শংকৰদেৱ বিৰচিত ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ “প্ৰতিটো চৰিত্ৰই মূলতকৈ সুস্পষ্ট ভূমিকা গ্ৰহণ কৰিছে” বুলি সমালোচকে কৰা মন্তব্যৰ সমৰ্থনত তোমাৰ যুক্তি আগবঢ়োৱা। ১০

*অথবা*

(খ) “... ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ কাব্য-সৌন্দৰ্য অস্বীকাৰ কৰিব নোৱাৰি। করুণ আৰু হাস্যৰসেৰে কাব্যখন আস্বাদনীয় হৈছে।” ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ত প্ৰকাশ পোৱা করুণ আৰু হাস্যৰস সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

৭। (ক) শংকৰদেৱে ‘পাৰিজাত হৰণ’ নাটৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত দেখুওৱা বিচক্ষণতা সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) “শংকৰদেৱৰ নাটসমূহৰ ভিতৰত নাটকীয় গুণলৈ দৃষ্টি ৰাখি ‘পাৰিজাত হৰণ’কে উৎকৃষ্ট বুলিব পাৰি।” কথাখিনিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা। ১০

★★★